জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪৬/২০২২**

# বিশিষ্ট সাহিত্যিক, বুৰঞ্জীবিদ সুশীল কুমাৰ গগৈৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট সাহিত্যক, বুৰঞ্জীবিদ, স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা প্ৰাপক সুশীল কুমাৰ গগৈৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত সুশীল কুমাৰ গগৈয়ে ৰাজ্যখনৰ সমাজ জীৱনলৈ যি অৱিহণা আগবঢ়াই গ'ল, সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। মটক জনগোষ্ঠীৰ বিশিষ্ট গৱেষক প্ৰয়াত সুশীল কুমাৰ গগৈয়ে জনগোষ্ঠীটোৰ লগতে সামগ্ৰিকভাৱে অসমৰ ইতিহাসৰ বহুবোৰ অজানা দিশ পোহৰলৈ আনিবলৈ সক্ষম হৈছিল। অসম চৰকাৰৰ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা প্ৰাপক, সাহিত্যিক পেশ্বনাৰ এইগৰাকী বিশিষ্ট চিন্তাবিদ তথা বুদ্ধিজীৱীৰ বিয়োগ ৰাজ্যখনৰ বৌদ্ধিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সুশীল কুমাৰ গগৈৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰয়াত সুশীল কুমাৰ গগৈৰ শেষকৃত্য সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ ব্যৱস্থা গ্ৰহণৰ বাবে তিনিচুকীয়া জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে।

**প্ৰঃকুঃবঃ**
**০৩-২-২০২২**